**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 26-06-2026 **Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চিচিলিৰ ৰাষ্ট্ৰীয় দিৱসৰ সোণালী জয়ন্তী সমাৰোহত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কাইলৈ দেশখনলৈ যাব।

২। উত্তৰাখণ্ডৰ লিপুলেখ পাছেৰে প্ৰায় ছবছৰৰ বিৰতিৰ মূৰত ভাৰত আৰু চীনৰ মাজত আজি সীমান্ত বাণিজ্য পুনৰ আৰম্ভ হোৱাৰ সম্ভাৱনা আছে।

৩। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই পৰীক্ষাৰ্থীসকলৰ বাবে নীট ইউজি-২০২৬ পুনৰ পৰীক্ষাৰ প্ৰাৰম্ভিক উত্তৰসূচী প্ৰত্যাহ্বান জনোৱাৰ বাবে বিশেষ উইনণ্ড মুকলি কৰিছে।

৪। ভেনেজুৱেলাৰ য়াৰাকুই প্ৰদেশৰ য়ুমাৰে চহৰত অহা কেইবাটাও ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ১৮৮ লৈ বৃদ্ধি পাইছে।

*আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আইভৰী ক'ষ্টে কাৰাকাঅ'ক ২-০ গ'লত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে নকআউট পৰ্যায়ত প্ৰৱেশ কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাইলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে চিচিলি লৈ যাব। তেওঁ দেশখনৰ ৰাষ্ট্ৰীয় দিৱসৰ সোণালী জয়ন্তী উদযাপন সমাৰোহত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। প্ৰধানমন্ত্ৰী মোডীয়ে ২০১৫ চনত শেষৰবাৰৰ বাবে চিচিলিলৈ গৈছিল। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কয় যে, নৌসেনাৰ দুখন জাহাজ,আৰু ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ এটা দলেও ৰাষ্ট্ৰীয় দিৱসৰ এই অনুষ্ঠানত অংশ লব। এই ভ্ৰমণৰ সময়ছোৱাত শ্ৰী মোডীয়ে চিচিলিৰ ৰাষ্ট্ৰপতি ড০ পাত্ৰিক হাৰ্মিণিৰ সৈতে বৈঠকত মিলিত হব। এই বৈঠকত নেতাদুগৰকীয়ে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ আটাইবোৰ দিশৰ পৰ্যোলোচনা কৰিব আৰু পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ মত বিনিম। কৰিব। প্ৰধানমন্ত্ৰী মোডীয়ে দেশখনৰ সংসদতো ভাষণ দিব আৰু তাত বাসকৰা প্ৰৱাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰিব। এই ভ্ৰমণে ভাৰত আৰু চিচিলিৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰিব।

০০০০০০০০

উত্তৰাখণ্ডৰ লিপুলেখ পাছেৰে প্ৰায় ছবছৰৰ বিৰতিৰ মূৰত ভাৰত আৰু চীনৰ মাজত আজি সীমান্ত বাণিজ্য পুনৰ আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। পিথুৰাগড় জিলাৰ ধাৰছুলা প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি ভাৰতীয় ব্যৱসায়ীৰ প্ৰথমটো দল আজি তিববতৰ টাকলাকোট বজাৰ অভিমুখে ৰাওনা হ'ব। ধাৰছুলা মহকুমা দণ্ডাধীশ আৰু বাণিজ্য বিষয়া আশীষ যোশীয়ে জনোৱা মতে প্ৰথমটো দলত ১৭জন ব্যৱসায়ী আৰু ৯জন সহযোগীকে ধৰি মুঠ ২৬খন বাণিজ্য অনুমতিপত্ৰ প্ৰদান কৰা হৈছে। বাণিজ্য নিয়াৰিকৈ পৰিচালনা কৰাটো

নিশ্চিত কৰাৰ বাবে গুঞ্জিত এটা সীমাশুল্ক কাৰ্যালয় স্থাপন কৰা হৈছে। বাণিজ্য অনুমতিপত্ৰৰ বাবে শতাধিক ব্যৱসায়ীয়ে আবেদন জনাইছিল বুলি উল্লেখ কৰি শ্ৰীযোশীয়ে দ্বিতীয় পৰ্যায়ত ২৫জন ব্যৱসায়ীক অনুমতিপত্ৰ প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে ২০২০ চনত কোভিড মহামাৰীৰ পৰিপ্ৰেক্ষিতত ভাৰত আৰু চীনৰ মাজৰ সীমান্ত বাণিজ্য বাতিল কৰা হৈছিল। দেশ দুখনৰ মাজৰ এই বাণিজ্য ব্যৱস্থাৰ পুনৰ মুকলিক লৈ সীমান্ত অঞ্চলৰ ব্যৱসায়ী তথা স্থানীয় লোকসকলে আনন্দ প্ৰকাশ কৰিছে।

০০০০০০০

ৰন্ধন গেচৰ গ্ৰাহকসকললৈ  সকাহ প্ৰদান কৰি চৰকাৰে ঔদ্যোগিক আৰু বাণিজ্যিক এলপিজি চিলিণ্ডাৰৰ যোগানৰ ক্ষেত্ৰত থকা সকলো খণ্ডভিত্তিক নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিছে  আৰু যোগান পশ্চিম এছিয়াৰ সংকটৰ পূৰ্বৰ পৰ্যায়লৈ লৈ গৈছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে কালি এটা বিবৃতিযোগে কয় যে সংকটৰ আৰম্ভণিতে স্থগিত ৰখা টেংকাৰেৰে যোগান ধৰা এলপিজিৰ যোগানো সংকটৰ পূৰ্বৰ পৰ্যায়ৰ ৫০ শতাংশ  লৈ বৃদ্ধি কৰা হৈছে আৰু  ফলত বাণিজ্যিক আৰু ঔদ্যোগিক গ্ৰাহকসকলে যথেষ্ট সকাহ লাভ কৰিছে। এলপিজি যোগান ব্যৱস্থাৰ শেহতীয়া উন্নতিৰ পিছতেই গেচৰ যোগান বৃদ্ধি কৰা হৈছে ।

০০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এ-ই পৰীক্ষাৰ্থীসকলৰ বাবে নীট ইউজি-২০২৬ পুনৰ পৰীক্ষাৰ প্ৰাৰম্ভিক উত্তৰসূচী প্ৰত্যাহ্বান জনাব পৰাকৈ এটা উইনণ্ড মুকলি কৰিছে। চিকিৎসা মহাবিদ্যালয়সমূহত নামভৰ্তিৰ বাবে যোৱা ২১ জুনত এই পৰীক্ষা অনুষ্ঠিত হৈছিল। প্ৰাৰম্ভিক উত্তৰসূচী এতিয়া **www.neet.nta.in.** ত উপলভ্য হৈছে বুলি এন টি এ-ই সামাজিক মাধ্যম যোগে প্ৰকাশ কৰিছে। শিক্ষাৰ্থীসকলে ২৮ তাৰিখ পৰ্যন্ত প্ৰতিটো প্ৰশ্নৰ বাবদ ২০০ টকা মাচুল দি তেওঁলোকৰ প্ৰত্যাহ্বানসমূহ দাখিল কৰিব পাৰিব। প্ৰত্যাহ্বানসমূহ স্বীকৃত হ'লে এই মাচুল পুনৰ ঘূৰাই দিয়া হ'ব। এন টি এ-ই পুনৰ পৰীক্ষা দিয়া শিক্ষাৰ্থীসকলৰ মাচুল ওভতাই দিয়াৰ বাবে নিজৰ বেংক একাউণ্টৰ সবিশেষ দাখিল কৰাৰ বাবেও এটা পৰ্টেল দাখিল কৰিছে। অহা ৩০ তাৰিখলৈকে শিক্ষাৰ্থীসকলে বেংকৰ সবিশেষ পৰ্টেলত দাখিল কৰিব পাৰিব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানৰ  বিশেষ বিত্তীয় অধিবক্তা তথা নেডাৰলেণ্ডৰ ৰাণী মেক্সিমাক সাক্ষাৎ কৰে। সংবাদ মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে, এই সাক্ষাতৰ সময়ত দুয়োগৰাকী নেতাই ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি আধাৰিত আন্দোলনে কিদৰে জনসাধাৰণক সৱল কৰাৰ লগতে জীৱন যাত্ৰা সহজ কৰি তোলা আৰু বিত্তীয় সেৱাসমূহ সহজলভ্য আৰু সুগম কৰি তুলিছে সেই সম্পৰ্কে আলোচনা কৰে। প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ বিশ্বৰ অংশীদাৰ দেশসমূহৰ সৈতে নিজৰ অভিজ্ঞতা ভগাই লোৱাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও দোহাৰে।

০০০০০০০০

ভেনেজুৱেলাৰ য়াৰাকুই প্ৰদেশৰ য়ুমাৰে চহৰত অহা কেইবাটাও ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ১৮৮ লৈ বৃদ্ধি পাইছে। ভূমিকম্পত এহেজাৰ ৫২০ তকৈও অধিক লোক আহত হৈছে। ২০০তকৈও অধিক লোক এতিয়াও ধ্বংসস্তুপত আৱদ্ধ হৈ আছে বুলি আশংকা কৰা হৈছে। দেশখনৰ ৰাষ্ট্ৰপতি ডেলচি ৰ'ড্ৰিগজে কৈছে যে, কমেও দুহেজাৰ ৯২৭ টা পৰিয়াল ভূমিকম্পত গৃহহীন হৈছে।

আমেৰিকাৰ ভূতাত্ত্বিক জৰীপ সংস্থাই প্ৰকাশ কৰা অনুসৰি কালি পুৱা ইয়ুমান চহৰত ৭ দশমিক ৫ প্ৰাবল্যৰ ভূমিকম্পৰ জোকাৰণিৰ মাত্ৰ ৩৯ ছেকেণ্ড পূৰ্বে ভেনেজুৱেলাৰ ছান ফেলিপেইত ৭ দশমিক ২ প্ৰাবল্যৰ আন এটা বৃহৎ ভূমিকম্পই জোকাৰি যায়। ভূমিকম্পত ভালেসংখ্যক অট্টালিকা ধ্বংসস্তূপত পৰিণত হয়। অগা-পিছাকৈ অহা এই বিধ্বংসী ভূমিকম্পৰ পাছতে ৰাষ্ট্ৰপতি  ৰ'ড্ৰিগজে দেশখনত জৰুৰীকালীন অৱস্থা ঘোষণা কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বিদ্যালয়ৰ পাঠদানৰ লগতে অত্যাৱশকীয় সেৱাৰ বাহিৰে সকলো কাম-কাজ বাতিল কৰা বুলি ঘোষণা কৰে। ক্ষতিগ্ৰস্ত অঞ্চলসমূহত কৰ্তৃপক্ষই উদ্ধাৰ অব্যাহত ৰাখিছে।

বিভিন্ন দেশৰ নেতাসকলে ভেনিজুৱেলাৰ এই বিপদৰ সময়ত সহমৰ্মিতা প্ৰকাশ কৰাৰ লগতে সহায়ৰ হাত আগবঢ়াইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ভূমিকম্পত হোৱা ক্ষয়-ক্ষতিক লৈ দুখ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভেনেজুৱেলাৰ চৰকাৰ তথা জনসাধাৰণলৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। শ্ৰীমোদীয়ে দেশখনৰ এই দুৰ্যোগৰ সময়ত যাৱতীয় সকলো সাহায্য আগবঢ়োৱাৰ আশ্বাস দিয়ে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে কৈছে যে, তেওঁৰ চৰকাৰে ভেনিজুৱেলাৰ উদ্ধাৰ আৰু সাহায্য অভিযানৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰাৰ বাবে সংশ্লিষ্ট সংস্থাক ইতিমধ্যে নিৰ্দেশ দিছে। স্পেইনৰ প্ৰধানমন্ত্ৰী পে'ড্ৰ চেনসেজ, মেক্সিকোৰ ৰাষ্ট্ৰপতি ক্লডিয়া শ্বেইনবমৰ লগতে কেইবাখনো দেশৰ মুৰববীয়ে ভেনিজুৱেলাৰ এই সংকটৰ সময়ত সহায়ৰ হাত আগবঢ়াই।

oooooooo

উত্তৰ প্ৰদেশ চৰকাৰে ৰাম জনমভূমি তীৰ্থস্থানৰ প্ৰণামী গোচৰত প্ৰথমখন এজাহাৰত দাখিল হোৱা ৮ জন অভিযুক্ত আৰু আন অচিনাক্ত লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ নিৰ্দেশত গঠিত বিশেষ তদন্তকাৰী গোটৰ পৰামৰ্শৰ ভিত্তিত এই এজাহাৰখন দাখিল কৰা হয়। ন্যাসৰ সদস্য কৃষ্ণমোহনৰ লিখিত অভিযোগৰ ভিত্তিত শ্ৰীৰাম জনমভূমি আৰক্ষী থানাত এই সন্দৰ্ভত গোচৰ ৰুজু কৰা হয়। এই এজাহাৰত অবিনাশ শুক্লা, অনুকল্প মিশ্ৰ, লৱকুশ মিশ্ৰ, মনিষ কুমাৰ যাদৱ, কৰুণেশ পাণ্ডে, ৰামশংকৰ মিশ্ৰ, শ্ৰীৰামশংকৰ যাদৱ ওৰফে টিন্নু সুভাষ শ্ৰীবাস্তৱৰ লগতে অন্যান্য কেইবাগৰাকীৰো নাম উল্লেখ কৰা হৈছে। অভিযুক্তসকলৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ বিভিন্ন ধাৰাত গোচৰ ৰুজ কৰা হৈছে। বিশেষ তদন্তকাৰী গোটৰ নেতৃত্বত থকা লক্ষ্ণৌৰ মাণ্ডলিক আয়ুক্ত বিজয়বিশ্বাস পন্তে যোৱা মঙলবাৰে বিষয়টোৰ সন্দৰ্ভত কঠোৰ ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ প্ৰদানেৰে চৰকাৰৰ ওচৰত প্ৰাৰম্ভিক প্ৰতিবেদন দাখিল কৰিছিল। শ্ৰীৰাম জনমভূমি তীৰ্থ ক্ষেত্ৰ ন্যাসে লাভ কৰা প্ৰণামী চুৰিৰ অভিযোগৰ পাছতে এই ঘটনা পোহৰলৈ আহে। ন্যাসে মুখ্যমন্ত্ৰীক এই গোচৰৰ তদন্তৰ বাবে বিশেষ তদন্তকাৰী গোট গঠনৰ বাবে আহ্বান জনায়।

oooooooo

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আইভৰী ক'ষ্টে  কাৰাকাঅ'ক ফিলাডেলফিয়াত অনুষ্ঠিত গ্ৰুপ ইৰ এখন খেলত ২-০ গ'লৰ ব্যৱধান পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে বিশ্বকাপৰ নকআউট পৰ্যায়ত প্ৰৱেশ কৰে। নিকলাছ পেপে'ই দলটোৰ হৈ দুটা গ'ল দিয়ে। আইভৰী ক'ষ্টে গ্ৰুপ ইৰ পইণ্ট তালিকাৰ ৬ পইণ্ট লাভ কৰে। নিউজাৰ্চিত অনুষ্ঠিত আন এখন খেলত ইকুৱেডৰে জাৰ্মানিক ২-১ গ'লত পৰাস্ত কৰে। ইয়াৰপূৰ্বে

দক্ষিণ আফ্ৰিকাই-দক্ষিণ কোৰিয়াক ১-০ গ'লত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে নকআউট পৰ্যায়লৈ অগ্ৰসৰ হয়।

০০০০০০০০

ভাৰত আৰু আয়াৰলেণ্ডৰ মাজৰ দুখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি বেলফাষ্টত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৬ বজাত আৰম্ভ হ'ব। শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল দেওবাৰে খেলোৱা হ'ব।

ইয়াৰ পিছত, শ্ৰেয়াছ আয়াৰ নেতৃত্বাধীন ভাৰতীয় দলটো পহিলা জুলাইত আৰম্ভ হ'বলগীয়া পাঁচখনীয়া টি-২০ শৃংখলাত অংশগ্ৰহণ কৰাৰ বাবে ইংলেণ্ডলৈ যাব। টি-২০ শৃংখলাৰ পাছত ভাৰত তিনিখনীয়া এদিনীয়া শৃংখলাত অৱতীৰ্ণ হ'ব

০০০০০০০০

সমাপ্ত